**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-June-2026 **Time :** 1715 HRS

***Assamese Evening Bulletin***
**Headlines**

১। গুৱাহাটীৰ পৰা ডুবাই আৰু আবুধাবিলৈ অহা ৪ আগষ্টৰ পৰা পোনপটীয়া বিমান সেৱা আৰম্ভ হ'ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

২। খানাপাৰাৰ প্ৰশাসনিক মহাবিদ্যালয়ত বন বিভাগৰ বিষয়াসকলৰ সৈতে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ পৰ্যালোচনা বৈঠক।

৩। ৰাজ্যজুৰি কৃষকৰ পঞ্জীয়ন প্ৰক্ৰিয়া খৰতকীয়া কৰাত মন্ত্ৰী পীযুষ হাজৰিকাৰ গুৰুত্ব আৰোপ।

আৰু

৪। আজি নিশা ৯ বাজি ৮ মিনিট ৪২ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি।

000000000

গুৱাহাটীৰ পৰা বিশ্বৰ অন্যতম বাণিজ্যিক আৰু পৰ্যটন ক্ষেত্ৰ ডুবাই আৰু আবুধাবিলৈ অহা ৪ আগষ্টৰ পৰা পোনপটীয়া বিমান সেৱা আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই কথা প্ৰকাশ কৰে। গুৱাহাটীৰ পৰা ইউ এ ই, থাইলেণ্ড, ছিংগাপুৰ আৰু ভূটানলৈ পোনপটীয়া বিমান সেৱা আৰম্ভ হৈছে। এই নতুন সংযোগে অসমৰ বাণিজ্য, বিনিয়োগ, পৰ্যটন আৰু আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কক নতুন গতি প্ৰদান কৰিব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই আশা প্ৰকাশ কৰে। অনাগত সময়ত ভিয়েটনামলৈ গুৱাহাটীৰ পৰা পোনপটীয়া বিমান সেৱা আৰম্ভ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে বাৰ্তাটোত উল্লেখ কৰে। গুৱাহাটীক দক্ষিণ-পূব এছিয়াৰ বিমান যাতায়াত কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি তেওঁ কয়।

000000000

বন আৰু পৰিবেশ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই খানাপাৰাৰ প্ৰশাসনিক মহাবিদ্যালয়ত বন বিভাগৰ বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত মন্ত্ৰীগৰাকীয়ে কয় যে তিনি বছৰ কাৰ্যকালৰ অন্তত বন বিভাগৰ সকলো বিষয়া-কৰ্মচাৰীকে বদলি কৰা হ'ব। মন পচন্দৰ সংমণ্ডল, ৰেঞ্জ, বীট কাৰ্যালয়ত বছৰ বছৰ ধৰি বিষয়াসকলে নিয়োজিত হৈ থাকিব নোৱাৰিব বুলি তেওঁ মন্তব্য কৰে। ধনৰ বিনিময়ত বদলি বা নিযুক্তিৰ অভিযোগ পালে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও তেওঁ সকিয়াই দিয়ে।

**বাইট (জয়ন্ত মল্ল)**

বদলিৰ বিনিময়ত কোনো বিষয়া বা কৰ্মচাৰীয়ে ধন বিচাৰিলে হোৱাটছএপযোগে মন্ত্ৰীগৰাকীক অভিযোগ দিবলৈ তেওঁ আহ্বান জনায়। বৈঠকত তেওঁ কয় যে বন বিভাগত থকা সকলো সুৰুঙা বন্ধ হ'ব লাগিব। বন বিভাগে প্ৰাপ্য ৰাজহখিনি সংগ্ৰহ কৰিব লাগিব বুলিও তেওঁ কয়। জনতাক হেঁচা প্ৰয়োগ কৰি ৰাজহ সংগ্ৰহ কৰা কাৰ্য বন্ধ

কৰিবলৈ মন্ত্ৰী শ্ৰীবৰুৱাই বিষয়াসকলক সকিয়াই দিয়ে। জনতাৰ পৰা অযথা জৰিমনা বিহি চৰকাৰক শলঠেকত নেপেলাবলৈ তেওঁ বিষয়াসকলক নিৰ্দেশ দিয়ে। বন বিভাগৰ লাভাংশ চৰকাৰী ৰাজকোষত জমা হ'ব লাগিব বুলি তেওঁ বিষয়াসকলক পৰামৰ্শ আগবঢ়ায়। বৈঠকত কুৰেৰী আৰু বালিৰ মহলত ব্যৱহাৰ হোৱা প্ৰতিখন বাহনত জিপিএছ লগোৱা হ'ব বুলি তেওঁ প্ৰকাশ কৰে। ইয়াৰ জৰিয়তে বাহনসমূহ ক'ত ৰখা হৈছে সেই বিষয়ে বন বিভাগে ট্ৰেকিং কৰি থাকিব বুলিও উল্লেখ কৰা হৈছে।

০০০০০০০০০

অসম বিধানসভা সচিবালয়ে পোনপ্ৰথমবাৰৰ বাবে বিধানসভালৈ নিৰ্বাচিত ৪৭গৰাকী বিধায়কৰ বাবে প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে। অহা ৪ আৰু ৫ জুলাইত গোপীনাথ বৰদলৈ ভৱনত এই প্ৰশিক্ষণ অনুষ্ঠিত হ'ব। এই বিষয়ে সদৰি কৰি অসম বিধানসভাৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসে সংবাদ মাধ্যমৰ আগত কয়, যে অসম বিধানসভাত থকা সকলো গুৰুত্বপূৰ্ণ বিষয় সামৰি দুদিনীয়াকৈ নতুন বিধায়কসকলৰ বাবে এই প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। এই প্ৰশিক্ষণত নতুন বিধায়কসকলৰ লগতে পুৰণি বিধায়কসকলেও অংশগ্ৰহণ কৰিব পাৰিব। প্ৰশিক্ষণ কাৰ্যসূচীত নাগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য্য ড০ সমুদ্ৰ গুপ্ত কাশ্যপ, অসম বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ হিতেন্দ্ৰ নাথ গোস্বামী, প্ৰাক্তন উপাধ্যক্ষ নোমল মমিনকে ধৰি বহুকেইগৰাকী সমল ব্যক্তিক নিমন্ত্ৰণ জনোৱা বুলি অধ্যক্ষ দাসে জানিবলৈ দিছে।

উল্লেখযোগ্য যে, অসম  বিধানসভাৰ বাজেট অধিবেশন অহা ৬ জুলাইৰ পৰা আৰম্ভ হ'ব। একেদৰে, ১০জুলাইত অসম বিধানসভাৰ মজিয়াত ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাজেট দাখিল কৰা হ'ব। সমাগত বাজেট অধিবেশনৰ প্ৰতি লক্ষ্য ৰাখি অসম বিধানসভা সচিবালয়ে নতুনকৈ নিৰ্বাচিত হোৱা বিধায়কসকলৰ বাবে এই প্ৰশিক্ষণ ব্যৱস্থা কৰিছে। অসম বিধানসভালৈ নিৰ্বাচিত হৈ অহা বিন্নাকান্দি সমষ্টিৰ বিধায়ক বদৰুদ্দিন আজমলে আজি বিধানসভাৰ সদস্য হিচাপে শপতগ্ৰহণ কৰে। অসম বিধানসভাৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসে বিধায়ক আজমলক শপতবাক্য পাঠ কৰোৱায়। অধ্যক্ষৰ কাৰ্যালয়ৰ আলোচনাৰ কক্ষত আয়োজিত শপতগ্ৰহণ অনুষ্ঠানটি অসম বিধানসভাৰ ভাৰপ্ৰাপ্ত  সচিব ৰাজীৱ ভট্টাচাৰ্য্যই পৰিচালনা কৰে।

০০০০০০০০০

কৃষি মন্ত্ৰী পীযুষ হাজৰিকাই আজি ভাৰ্চুৱেলযোগে ৰাজ্যৰ বিভিন্ন জিলাৰ আয়ুক্ত আৰু জিলা কৃষি বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। জনতা ভৱনত অনুষ্ঠিত এই বৈঠকত কৃষি বিভাগৰ অধীনত ৰূপায়ণ হৈ থকা বন অধিকাৰ আইনৰ পট্টাধাৰীসকলৰ ডিজিটেলাইজেচন, কৃষকৰ পঞ্জীয়ন, পৰিচয় পত্ৰ প্ৰস্তুত, এগ্ৰিষ্টেকৰ জৰিয়তে ন্যূনতম সমৰ্থন মূল্যৰ অধীনত ধান ক্ৰয় ব্যৱস্থাৰ লগতে কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচীৰ অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। মন্ত্ৰী পীযুষ হাজৰিকাই ৰাজ্যজুৰি কৃষকৰ পঞ্জীয়ন প্ৰক্ৰিয়া খৰতকীয়া কৰা সন্দৰ্ভত বিশেষ গুৰুত্ব আৰোপ কৰি কয় যে ৰাজ্যখনৰ প্ৰায় ৫০ লাখ কৃষক পৰিয়ালক পঞ্জীয়নৰ আওতালৈ আনিব লাগিব। কৃষকসকলে যাতে সহজতে পঞ্জীয়ন সম্পূৰ্ণ কৰিব পাৰে তাৰ বাবে জিলা প্ৰশাসনে সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াব লাগিব। ইয়াৰ উপৰি মন্ত্ৰীগৰাকীয়ে National Mission on Edible Oils - Oil Palm কাৰ্যসূচীৰ অধীনত অইল পাম খেতিৰ সম্প্ৰসাৰণত সক্ৰিয় সহযোগিতা আগবঢ়াবলৈ জিলা প্ৰশাসনসমূহক আহ্বান জনায়।

০০০০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে কাইলৈ দিনৰ ১১ বজাত হাইস্কুল শিক্ষান্ত কম্পাৰ্টমেণ্টেল পৰীক্ষা ২০২৬ৰ ফলাফল ঘোষণা কৰিব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যম যোগে এই কথা প্ৰকাশ কৰিছে। ছাত্ৰ-ছাত্ৰীসকলে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ ৱেবচাইট sebaonline.org ফলাফল লাভ কৰাৰ লগতে মাৰ্কশ্বিট ডাউনলোড কৰিব পাৰিব। উল্লেখযোগ্য যে এইবাৰৰ কম্পাৰ্টমেণ্টেল পৰীক্ষাত ৬৪ হাজাৰ ৫০গৰাকী পৰীক্ষাৰ্থীয়ে অৱতীৰ্ণ হৈছিল।

০০০০০০০০০

আজি নিশা ৯ বাজি ৮ মিনিট ৪২ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হ'ব। প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে বন্ধ কৰি দিয়া হ'ব। ২৩, ২৪ আৰু ২৫ জুনত কামাখ্যা মন্দিৰৰ দুৱাৰ সম্পূৰ্ণভাৱে বন্ধ থাকিব। ২৬ জুনৰ পুৱা অম্বুবাচীৰ নিবৃত্তিৰ পাছত মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰি দিয়া হ'ব।

অম্বুবাচী উপলক্ষে শক্তিপীঠ কামাখ্যা দেৱালয়ত আজিৰে পৰা অম্বুবাচী মহাযোগ অনুষ্ঠিত হ'ব। দেৱালয়ৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে প্ৰতিবছৰৰ দৰে এইবাৰো অম্বুবাচী মেলা উপলক্ষে দেশ-বিদেশৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা অহা সাধু-সন্যাসী তথা ভক্তপ্ৰাণ ৰাইজৰ সমাগম ঘটা পৰিলক্ষিত হৈছে। ভক্তসকলক বিভিন্ন ধৰণেৰে সহায়-সহযোগিতা আগবঢ়াবলৈ বহুবোৰ স্বেচ্ছাসেৱী সংগঠন আগবাঢ়ি আহিছে। তেনে এটি উন্মিলন নামৰ সংগঠনৰ এজন ব্যক্তিয়ে জনসাধাৰণলৈ তেওঁলোকে আগবঢ়োৱা সেৱা সম্পৰ্কে এনেদৰে ব্যক্ত কৰিছে।

বাইট

গুৱাহাটী পৌৰ নিগমে অম্বুবাচী উপলক্ষে অহা ভক্তৰ ভিৰ নিয়ন্ত্ৰণৰ লগতে খোৱাপানী, পোহৰ আৰু চাফ-চিকুণতাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। স্বেচ্ছাসেৱী সংস্থাসমূহেও ভক্তিপ্ৰাণ ৰাইজক সেৱা আগবঢ়োৱাৰ লগতে মেলাস্থলীৰ স্বচ্ছতা নিশ্চিত কৰাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে।

০০০০০০০০০

কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ ৭৫সংখ্যক প্ৰতিষ্ঠা দিৱস কাইলৈ তাৰালাংছুত উদযাপন কৰা হ'ব। ডিফুৰ সমীপৰ ৰাংচিনা ছাপ আহংজাই প্ৰাংগণত দিনজোৰা কাৰ্যসূচীৰে প্ৰতিষ্ঠা দিৱস উদযাপনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। পুৱা ভাগৰ কাইলৈ ডিফুত পৰিষদৰ সচিবালয়ত ৰাষ্ট্ৰীয় পতাকা উত্তোলৰ পাছত কাৰ্বিং আংলঙৰ প্ৰতিষ্ঠাপক চেমচন সিং ইংতি, খৰচিং টেৰাং আৰু চাৰচিং টেৰং লাংকুং হাবেৰ প্ৰতিমূৰ্তি পুষ্পমাল্য অৰ্পণ কৰা হ'ব। মুকলি অনুষ্ঠানত প্ৰাথমিক বিদ্যালয়ৰ ১৯৮জন সহকাৰী শিক্ষকক নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব। জিলাখনত বিভিন্ন ক্ষেত্ৰত উল্লেখনীয় বৰঙণি আগবঢ়োৱা ব্যক্তিসকলকো কাইলৈ মুখ্য কাৰ্যবাহী সদস্যৰ বিশেষ বঁটা আগবঢ়োৱা হ'ব।

০০০০০০০০০

লোকপিয়ল প্ৰক্ৰিয়া সূচাৰুৰূপে ৰূপায়ণ কৰাৰ উদ্দেশ্যে তামুলপুৰ জিলাত কাইলৈৰ পৰা তিনিদিনীয়াকৈ ক্ষেত্ৰ প্ৰশিক্ষকসকলৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। জিলা আয়ুক্তৰ কাৰ্যালয়ত হ'বলগীয়া এই প্ৰশিক্ষণ কাৰ্যসূচীত ১৪গৰাকী ক্ষেত্ৰ প্ৰশিক্ষকৰ লগতে এগৰাকী মুখ্য প্ৰশিক্ষকে অংশগ্ৰহণ কৰিব। এই প্ৰশিক্ষণৰ জৰিয়তে ক্ষেত্ৰ প্ৰশিক্ষকসকলক লোকপিয়ল সম্পৰ্কীয় বিভিন্ন বিষয়, দায়িত্ব আৰু কাৰ্যপদ্ধতিৰ বিষয়ে প্ৰশিক্ষণ দিয়া হ'ব। পৰৱৰ্তী সময়ত এই ১৪গৰাকী ক্ষেত্ৰ প্ৰশিক্ষকে জিলাখনৰ গণনাকাৰী আৰু পৰ্যবেক্ষকসকলক প্ৰশিক্ষণ আগবঢ়াব।

০০০০০০০০০

কেবিনেট মন্ত্ৰী চৰণ বড়োৱে আজি ওদালগুৰি জিলাৰ ডিমাকুছিত ডিমাকুছি-পানেৰি-টংলা-কলাইগাঁও-মঙলদৈ সংযোগী গ্ৰীণ বাছ সেৱা আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। এই পদক্ষেপে অঞ্চলটোৰ যাতায়াত ব্যৱস্থা পূৰ্বতকৈ অধিক সুগম কৰাৰ লগতে সাধাৰণ ৰাইজৰ সহায় হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। এই অনুষ্ঠানত বিধায়ক বিকন চন্দ্ৰ ডেকা, মহেশ্বৰ বড়ো, বিটিচিৰ কাৰ্যবাহী সদস্য লৌমশ্ৰাউ দৈমাৰী, পাৰিষদ দিগন্ত বৰুৱাকে ধৰি কেইবাগৰাকীও ব্যক্তি উপস্থিত থাকে।

০০০০০০০০০

সমাপ্ত